بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০১৮ চনৰ জুলাই মাহৰ ২০ তাৰিখত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আঁহজৰত (ছাঃ) ৰ এজন চাহাবীৰ নাম আছিল হজৰত খুল্লাদ বিন ৰাফিআ জৰকি। তেখেত (ৰাঃ)আনছাৰী আছিল। এখেত সেই সৌভাগ্যবান লোক সকলেৰে এজন আছিল যি সকলে বদৰ আৰু অহুদৰ যুদ্ধত অংশগ্ৰহন কৰিছিল। আল্লাহ তায়লা তেখেতক বহুকেইজন সন্তান দান কৰিছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে মুৱাজ বিন ৰফাআ নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে মোৰ দেউতায় কৈছে যে মই মোৰ ভাই খুল্লাদ বিন ৰাফিআ পৰা শুনি বৰ্ণনা কৰিছো যে মোৰ দেউতায় কৈছে যে মই মোৰ ভাই খুল্লাদ বিন ৰাফিআৰ সৈতে আঁহজৰত (ছাঃ) ৰ লগত এটা বৰকৈ দুৰ্বল উটত আৰোহণ কৰি বদৰৰ ফালে যাত্ৰা কৰিছিলো। আমি গৈ বৰিদ নামৰ ঠাই পাইছিলো (যে ৰোহা নামৰ ঠাইৰ পিছত) এনেতে আমাৰ উট বহি পৰিল, তেতিয়া মই দোৱা কৰিছিলো যে হে আল্লাহ আমি তোমাতে আগ কৰিছো (মানস কৰিছো) যে যদি তুমি এই উটৰ জড়িয়তে আমাক আকৌ মদিনালৈ ঘুৰাই লৈ আনা তেন্তে আমি ইয়াক কোৰবাণী দিম। আমি এনেকুৱা অৱস্থাত থকা সময়ত ৰছুলুল্লাহ (ছাঃ) য়ে আহি আমাৰ ওচৰ পায় আৰু আমাক প্ৰশ্ন কৰে যে তোমালোকে দুজনৰ কি হৈছে ? আমি তেখেত (ছাঃ) ক সকলো বিৱৰি কলো তেতিয়া আঁহজৰত (ছাঃ) য়ে আমাৰ ওচৰত ৰৈছিল আৰু অজু কৰিছিল। অজুৰ পিছত ৰাহি হোৱা পানী খিনিত মুখেৰে ওলোৱা থু (পানী) থুৱাই দিয়ে। তাৰ পিছত তেখেত (ছাঃ) ৰ নিৰ্দেশ অনুযায়ী আমি উটৰ মুখখন খুলি ধৰিছিলো আৰু তেখেত (ছাঃ) য়ে সেই উটৰ মুখত অলপ পানী ঢালি দিছিল, এনেদৰে তাৰ মূৰত , ডিঙিত , বাহুমুলত, কুঁজত, পিঠিত আৰু নেজত পানী ঢালি দিয়ে। তাৰ পিছত আঁহজৰত (ছাঃ) য়ে দোৱা কৰিছিল যে হে আল্লাহ ৰাফিআ আৰু খুল্লাদক ইয়াৰ ওপৰত আৰোহণ কৰোৱাই লৈ যোৱা। কয় যে তাৰ পিছত ৰছুলুল্লাহ (ছাঃ) য়ে যাত্ৰা আৰম্ভ কৰে, আমিও যাবলৈ থিয় হওঁ আৰু যাবলৈ আৰম্ভ কৰো। এনেদৰে গৈ গৈ আমি মনছৰ নামৰ ঠাইখন পোৱাৰ আগতেই আঁহজৰত (ছাঃ) ক লগ পালো আৰু আমাৰ উট গৈ গৈ দলৰ সকলোৰে আগত গৈছিল গৈ। এনেদৰে যেতিয়া আঁহজৰত (ছাঃ) য়ে আমাক দেখিছিল, তেতিয়া মিচিকিয়াইছিল। মুঠতে আঁহজৰত (ছাঃ) ৰ দোৱাৰ কল্যাণত উটৰ দুৰ্বলতা দুৰ হৈ গৈছিল আৰু আমি গৈ গৈ বদৰ নামৰ ঠাইত উপস্থিত হৈছিলো। যুদ্ধৰ পিছত আমি যেতিয়া বদৰৰ পৰা ঘুৰি আহিবলৈ লৈছিলো মুছল্লা নামৰ ঠাইত আহি আকৌ উট বহি গৈছিল। তেতিয়া মোৰ ভায়েকে তাক জবই কৰি মাংস বগাই দিছিল।

আন এজন চাহাবী আছিল, যাৰ নাম আছিল হজৰত হাৰছা বিন ছুৰাকা। তেখেত (ৰাঃ) য়ে ২ হিজৰিত বদৰৰ যুদ্ধত শ্বহীদ হৈছিল। তেখেতৰ মাক ৰাবিয়া বিনতে নজিৰ, হজৰত আনিজ বিন মালিকৰ পেহীয়েই আছিল। হিজৰতৰ আগতে মাকৰ সৈতে এখেতে ইছলাম গ্ৰহনৰ সৌভাগ্য লাভ কৰিছিল। তেতিয়া তেখেতৰ দেউতাকে ঢুকাইছিল। ৰছুলে কৰিম (ছাঃ) য়ে তেখেত (ৰাঃ) আৰু হজৰত ছাইব বিন উচমান বিন মজউন (ৰাঃ) ৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। হজৰত হাৰছা বিন ছুৰাকা নিজৰ মাকৰ লগত বৰ সুন্দৰ আৰু দয়ালু আচৰণ কৰিছিল। সেয়ে ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল যে মই বেহেস্তত প্ৰবেশ কৰি তাত হাৰছাক দেখিছো। হুবান বিন আৰাকা তেখেত (ৰাঃ) ক বদৰৰ যুদ্ধত শ্বহীদ কৰি দিছিল। হুবান তেখেত (ৰাঃ) ক নাদৰ পৰা পানী পান কৰা অৱস্থাত তীৰ নিক্ষেপ কৰিছিল। সেই তীৰে তেখেতৰ ডিঙিত আঘাত হানিছিল আৰু তেখেতে মৃত্যু বৰণ কৰিছিল। এবাৰ আঁহজৰত (ছাঃ) তেখেতক সুধিছিল যে হে হাৰছা তুমি ৰাতিপুৱা কেনেকে কটাইছা ? তেখেত (ৰাঃ) য়ে উত্তৰত কৈছিল যে মই ৰাতিপুৱা এনেকুৱা অৱস্থাত কটাইছো যে মই নিশ্চয় আল্লাহৰ ওপৰত প্ৰকৃত ঈমান ৰাখিছো। তেখেত (ছাঃ) য়ে কৈছিল যে তুমি কি কৈ আছা, লক্ষ্য কৰিছানে ? প্ৰত্যেক কথাৰে এটা অৰ্থ আছে। তেতিয়া তেখেত (ৰাঃ) য়ে কৈছিল, ইয়া ৰছুলুল্লাহ ; মোৰ হৃদয় জগতলৈ উদাস হৈ গৈছে। মই গোটেই ৰাতি সাৰে থাকো আৰু দিনটো ভোকে থাকো। অৰ্থাৎ ইবাদত কৰো আৰু ৰোজা ৰাখো। মই যেনিবা নিজৰ পৰোৱাৰ দিগাৰ আৰস পাক প্ৰত্যক্ষ চকুৰে দেখি আছো আৰু যেনিবা মই জান্নাতৰ বাসিন্দা সকলক দেখি আছো। যেনিবা তেওঁলোকে আৰু আমি পৰস্পৰে মিলিবলৈ লৈছো। আমি যেনিবা দোজখৰ বাসিন্দা সকলক দেখি আছো যে সিহঁতে তাত চিঞৰি আছে। তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে তুমি তাৰ ওপৰতেই প্ৰতিষ্ঠিত থাকা, তুমি এনেকুৱা এজন ব্যক্তি, যাৰ হৃদয়ত আল্লাহ তায়লা ঈমান

আলোকিত কৰি দিছে। আকৌ তেখেত (ৰাঃ) য়ে আবেদন জনায় যে ইয়া ৰছুলুল্লাহ (ছাঃ) মোৰ বাবে শ্বাহাদতৰ দোৱা কৰক। সেয়ে ৰছুলে কৰিম (ছাঃ) য়ে তেখেতৰ বাবে দোৱা কৰি দিয়ে। উল্লেখ আছে যে এই জনেই আছিল প্ৰথম আনছাৰী যিজনে বদৰৰ যুদ্ধত শ্বহীদ হৈছিল। হজৰত হাৰছাৰ শ্বহীদৰ খবৰ যেতিয়া তেখেতৰ মাকে শুনিবলৈ পায় তেতিয়া তেখেতৰ মাক হজৰত ৰবিয়া ৰছুলে কৰিম (ছাঃ) ৰ ওচৰলৈ আহে আৰু আবেদন জনায় যে আপুনি জানে যে মই হাৰছাক কিমান ভাল পাওঁ, তেওঁ মোক বহুত খিদমত কৰিছিল। যদি তেওঁ জান্নাতৰ বাসিন্দা হয় তেন্তে মই ধৈৰ্য্য ধাৰণ কৰিম। আৰু যদি এনেকুৱা নহয় তেন্তে খোদা তায়লাই ভালদৰে জানে যে মই কি কৰিম। তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল যে হে উম্মে হাৰছা জান্নাত এটা নহয় বৰং কেইবাটাও জান্নাত আছে আৰু হাৰছা জান্নাত ফিৰদুছ আলাত আছে। লগতে কৈছিল যে বাঃ বাঃ হে হাৰছা।

আকৌ আন এজন চাহাবী আছিল হজৰত ইবাদ বিন বশ্বিৰ (ৰাঃ)। যাৰ এঘাৰ হিজৰিত ইমামাৰ যুদ্ধত মৃত্যু হৈছিল। হজৰত ইবাদ বিন বশ্বিৰ (ৰাঃ) ক আবু বশ্বিৰ আৰু আবু ৰবিয়া উপাধিৰে সকলোৱে জানিছিল। কবিলা বনু আব্দুল আছহালৰ সৈতে তেখেতৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) ৰ এজনী মাত্ৰ জীয়েক আছিল। তাইৰও মৃত্যু হৈছিল। আবু বশ্বিৰ মদিনাত হজৰত মুছআব বিন আমিৰৰ জড়িয়তে হজৰত ছঈদ বিন মুৱাজ আৰু হজৰত আছিদ বিন হজিৰৰ আগত ইছলাম গ্ৰহণ কৰিছিল। মদিনাত আনছাৰ আৰু মুহাজেৰিন সকলৰ মাজত ভাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰাৰ সময়ত আঁহজৰত (ছাঃ) য়ে তেখেতক হজৰত আবু হুজায়ফা বিন উকাবিৰ ভাই বনাই দিছিল। হজৰত ইবাদ বিন বশ্বিৰ একেধাৰে বদৰৰ যুদ্ধ, অহুদ, খন্দক, আৰু সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। তেখেত (ৰাঃ) সেই চাহাবা সকলৰ মাজত আছিল, যি সকলক আঁহজৰত (ছাঃ) য়ে কাআব বিন আশ্ৰফক হত্যা কৰিবলৈ পঠাইছিল।

আঁহজৰত (ছাঃ) য়ে এয়া নিৰ্দেশ দিছিল যে কাআবক সাধাৰণ ভাৱে মুখামুখি হৈ হত্যা কৰিব নালাগে বৰং কেইজন মানে মনে মনে সুবিধা উলিৱাই তাক হত্যা কৰিব লাগিব আৰু এই দায়িত্ব তেখেত (ছাঃ) য়ে আউজ কবিলাৰ এজন একাগ্ৰ চাহাবী মহম্মদ বিন মুছলিমাক অৰ্পন কৰিছিল, লগতে আদেশ দিছিল যে এই বিষয়ে যি পন্থা অৱলম্বন কৰা,সেয়া অউজ কবিলাৰ চৰ্দাৰ ছঈদ বিন মুৱাজৰ পৰামৰ্শ মতে কৰিবা । মহম্মদ বিন মুছলিমা আবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ তাক মনে মনে হত্যা কৰিবলৈ হলে কোনো কথা হয়তো কব লাগিব নাইবা কোনো উপায় অভিসন্দি কৰিব লাগিব যাৰ সহায়ত কাআবক তাৰ ঘৰৰ পৰা উলিৱাই আনি কোনো নিৰাপদ ঠাইত হত্যা কৰিব পৰা যাব। আঁহজৰত (ছাঃ) য়ে তাক এই সম্পৰ্কে অনুমতি প্ৰদান কৰিছিল।

তেখেত (ৰাঃ) য়ে এই গোপন ভাৱে এজনক শাস্তি প্ৰদানত উদ্ভৱ হব পৰা প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি কৈছিল যে ঠিক আছে। গতিকে মহম্মদ বিন মুছলিমা ছঈদ বিন মুৱাজৰ পৰামৰ্শ মতে আবু নায়েলা আৰু দুই তিনিজন আছহাবক লগত লৈ কাআবৰ ঘৰলৈ যায়। তেওঁলোকে কাআবক ঘৰৰ ভিতৰ চৰাৰ পৰা মাতি আনি কৈছিল যে আমাৰ মহাশয় অৰ্থাৎ মহম্মদ ৰছুলুল্লাহ (ছাঃ) য়ে আমাৰ পৰা ছদকা বিছাৰিছে আৰু আমি বৰ আৰ্থিক সংকটত আছো। তুমি দয়া কৰি আমাক অলপ ঋণ দিব পাৰিবানে ? এই কথা শুনি কাআব বৰ আনন্দিত হৈ কবলৈ ধৰে যে সেই আল্লাহ এতিয়া কি হৈছে, সেই দিন দুৰত নাই, যেতিয়া তোমালোকে সেই ব্যক্তিক (মহম্মদ ছাঃ) ৰ বেজাৰতে এৰিবা। তেতিয়া মহম্মদ বিন মুছলিমা উত্তৰ দিছিল যে হয় এয়া উত্তৰ ;আমি মহম্মদ (ছাঃ) ৰ আনুগত্য স্বীকাৰ কৰিছো আৰু এতিয়া আমি এয়া চাই আছো যে এই ছিলছিলাৰ পৰিণতি কি হব কিন্তু তুমি এইটো কোৱা, আমাক ঋণ দিবা নে নাই ? তেতিয়া কাআবে উত্তৰ দিছিল যে হয় দিম , কিন্তু কোনো বস্তু তোমালোকে বন্ধকত ৰাখা। মহম্মদে সুধিছিল কি বস্তু বন্ধকত ৰাখিম ? সেই দুৰ্ভগীয়াৰ উত্তৰ দিছিল যে নিজৰ পত্নীক বন্ধকত ৰাখা। মহম্মদ নিজৰ খং নিজতে দবাই ৰাখি কৈছিল যে এয়া কেনেকৈ হব পাৰে যে তোমাৰ দৰে লোকৰ ওচৰত আমাৰ পত্নী সকলক বন্ধক ৰাখিম। তোমাৰ ওপৰত কোনো বিশ্বাস নাই। তেতিয়া কাআবে কৈছিল ঠিক আছে তেন্তে পুতেকক ৰাখা। মহম্মদ উত্তৰ দিছিল এয়াও সম্ভৱ নহয় যে আমি নিজৰ পুতেকক তোমাৰ ওচৰত (বন্ধক) ৰাখো। আমি গোটেই আৰবৰ আছিল্য মূৰত লৰ নোৱাৰো। ইয়াৰ ওপৰি যদি তুমি কৃপা কৰা তেন্তে আমি নিজৰ অস্ত্ৰ তোমাৰ তাত বন্ধক ৰাখিব পাৰো। এই কথাত কাআবে সন্মত হৈছিল। তেতিয়া মহম্মদ বিন মুছলিমা কাআবৰ সৈতে ৰাতিলৈ অহাৰ প্ৰতিশ্ৰুতি দি গুচি আহে। যেতিয়া ৰাতি হৈছিল তেতিয়া এওঁলোকে অস্ত্ৰ-শস্ত্ৰ লৈ কাআবৰ ঘৰলৈ যায় আৰু তেওঁক ঘৰৰ পৰা উলিৱাই আনি কথা পাতি পাতি এফালে লৈ যায়, এনেদৰে গৈ থাকোতে এওঁলোকে কাআবক আৱদ্ধ কৰি পেলাই, অস্ত্ৰ লৈ সাজু থকা এজন চাহাবায় কাআবক তৰোৱালেৰে আঘাত হানি হত্যা কৰি পেলাইছিল। যিয়েই নহওক কাআব নিহত হোৱাৰ পিছত মহম্মদ বিন মুছলিমা আৰু তেখেতৰ লগৰীয়া সকলে তাৰ পৰা গুচি আহি আঁহজৰত (ছাঃ) ৰ ওচৰত উপস্থিত হয় আৰু কাআবৰ মৃত্যুৰ খবৰ দিয়ে। যেতিয়া কাআবৰ মৃত্যুৰ খবৰ চহৰত প্ৰচাৰ হৈছিল তেতিয়া এটা আতংকৰ সৃষ্টি হৈছিল আৰু ইহুদী

সকলে বৰ উৎসুকতাৰে অগ্নিশাখা হৈ পৰিছিল আৰু পিছদিনা ৰাতিপুৱা ইহুদী সকলৰ এটা দল আহি আঁহজৰত (ছাঃ) ৰ ওচৰত উপস্থিত হৈ অভিযোগ কৰে যে আমাৰ নেতা কাআব বিন আশ্রফক এনেদৰে হত্যা কৰা হৈছে। আঁহজৰত (ছাঃ) য়ে তেওঁলোকৰ কথাবোৰ শুনি কৈছিল যে তোমালোকে এয়াও জানা যে কাআব কোন কোন অন্যায় অত্যাচাৰৰ সৈতে জড়িত আছিল। আকৌ তেখেত (ছাঃ) য়ে কাআবৰ প্রতিশ্রুতি ভঙ্গঁ যুদ্ধ ৰচনা কৰা, বিবাদৰ সৃষ্টি কৰা,বেয়া ভাষা প্রয়োগ আৰু হত্যাৰ ষড়যন্ত্র আদিত লিপ্ত থকা সম্পর্কে মনত পেলাই দিয়ে। যাৰ ফলত এই লোক সকলে ভয়তে নিমাত হৈ যায়। ইয়াৰ পিছত আঁহজৰত (ছাঃ) য়ে তেওঁলোকক কৈছিল যে তোমালোকৰ উচিত যে তোমালোকে কমপক্ষে ভৱিষ্যতলৈ শান্তি আৰু সহযোগীতাৰ লগ দি থাকা আৰু দ্বন্দ্ব বিবাদৰ হিংসাৰ বীজ বপন নকৰা। এনেদৰে ইহুদী সকলৰ সন্মূতি ক্রমে ভৱিষ্যতলৈ এটা নতুন চুক্তি লিখিত হৈছিল আৰু ইহুদী সকলে মুছলমানৰ সৈতে শান্তি নিৰাপত্তাৰ সৈতে থাকিবলৈ আৰু দ্বন্দ্ব -বিবাদৰ পৰা আতঁৰি থকাৰ এটা নতুন চুক্তি সম্পাদিত হৈছিল। তেখেত (ছাঃ) য়ে ইহুদী সকলৰ কথা শুনি এয়া কোৱা নাছিল যে মুছলমান সকলে কাআবক হত্যা কৰা নাই বৰং তাৰ অন্যায় অত্যাচাৰ সমুহ আঙুলিয়াই দিছিল আৰু তাৰ যি প্রকাশ্য ফলাফল হোৱা উচিত আছিল সেয়া কৈছিল যে তেওঁ হত্যাৰ যোগ্যই আছিল। কাআবৰ আচৰণত ইহুদী সকলে মানি লবলৈ বাধ্য হৈছিল যে আঁহজৰত (ছাঃ) য়ে ন্যায় কথা কৈছে । যাৰ ফলত ইহুদী সকলে নতুন চুক্তি স্বাক্ষৰ কৰিছিল যাতে ভৱিষ্যতত গৈ এনেধৰণৰ ঘটনা সংগঠিত নহয়। যাতে ভৱিষ্যতত শান্তিৰ বাতাবৰণ প্রতিষ্ঠিত হয় আৰু এয়া যেন নহয় যে ইহুদী সকলে প্রতিশোধ লোৱা আৰম্ভ কৰে আৰু মুছলমান সকলে তেওঁলোকক শাস্তি দিয়ে। যদি ইহুদী সকলে কাআবৰ হত্যাকাণ্ড অন্যায়  হোৱা বুলি ভাৱিলেহেঁতেন তেন্তে তেওঁলোকে নিমাত নাথাকিলেহেঁতেন বৰং আৰু হত্যাকাণ্ড ঘটাব বিচাৰিলেহেঁতেন। এই ধৰণৰ চেষ্টা বা দাবী তেওঁলোকে কৰা নাছিল আৰু নিৰৱতা অৱলম্বন কৰিছিল। এই সকলোবোৰ কথায় বুজায় যে সেই যুগত আইনত এনেকুৱা হত্যা জায়েজ আছিল। কাআবে যি দ্বন্দ্ব বিবাদৰ জন্ম দিছিল সেয়া হত্যাতকৈ বেছি অপৰাধ আছিল আৰু এয়াই আছিল এনেধৰণৰ অপৰাদীৰ শাস্তি আৰু আৰু হোৱাও উচিত আছিল। সেই সময়ৰ নিয়ম অনুসাৰে যেনেকৈ মই কৈছো যে কাআবক মৃত্যু দণ্ড দিয়া হৈছিল, সেয়া বৈধ আছিল। তেতিয়াৰ যুগত এই নিয়মেই আছিল আৰু ইহুদী সকলৰ নিয়ম মতে এনেকুৱাই দেখিবলৈ পোৱা যায়। গতিকে ইয়াত সমালোচনা বা অভিযোগ জাপি দিয়াৰ কোনো সুবিধা নাই। যদি এনেদৰে শাস্তি প্রদানৰ সুবিধা নাথাকিলেহেঁতেন তেন্তে ইহুদী সকলে নিশ্চয় অভিযোগ উঠালেহেঁতেন মোকদ্দমা ৰুজু কৰি প্রকাশ্য ভাৱে শাস্তি কিয় নিবিহিলে। গতিকে এই কথায় প্রমান কৰে যে কাআবৰ হত্যা সম্পুর্ণ ভাৱে বৈধ আছিল আৰু এনেকুৱা শাস্তি প্রদানৰ বিধান আছিল। কিন্তু এয়াও স্পষ্ট হোৱা উচিত যে আজি কালিৰ উগ্রবাদী দল সমুহে এনেধৰণৰ বিষয় সমুহৰ ভূল বিশ্লেষণ কৰি থাকে আৰু ভাৱে যে এনে ধৰণৰ হত্যা কাণ্ড জায়েজ আছে। কিন্তু প্রথম কথা হ,ল এনেধৰণৰ হত্যা বিবাদ বঢ়াবলৈ নহয় বৰং বিবাদৰ অন্ত পেলাবলৈহে  কৰা হৈছিল । দ্বিতীয়তে তাত কেৱল এজন অপৰাধীক হে শাস্তি দিয়া হৈছিল তাৰ বংশৰ কোনোবাক বা অইন কোনো এজনক এনে শাস্তি দিয়া হোৱা নাছিল। ইহুদী সকলৰ মাজত থকা এনে বিধৰ লোকসকলে যেতিয়া হত্যাকাণ্ড আৰম্ভ কৰিছিল তেতিয়া নিদোষী লোকক মহিলা সকলক , শিশু সকলক হত্যা কৰি গৈছিল , কিছুমানক পঙ্গু কৰি পেলাইছিল। যিয়েই নহওক আজি কালিৰ আইন মতে এনে নীতি বৈধ নহয়। কিন্তু সেই সময়ত এনে শাস্তিৰ বিধান আছিল বাবেই প্রশাসনে সেয়া প্রয়োগ কৰিছিল। হজৰত ইবাদ বিন বশ্বিৰ (ৰাঃ) ক শিক্ষিত জ্ঞানী ছাহাবা সকলেৰে এজন বুলি ধৰা হৈছিল। হজৰত আয়েশা (ৰাঃ) য়ে বর্ণনা  কৰিছে যে আনছাৰ সকলৰ মাজত তিনিজন ব্যক্তি এনেকুৱা আছিল যে তেওঁলোকতকৈ বেছি জ্ঞানী আন কোনোবাক ধাৰণা কৰিব নোৱাৰি । সেই তিনি জন লোক আছিল হজৰত ছঈদ বিন মুৱাজ, হজৰত আছিদ বিন হজিৰ, আৰু হজৰত ইবাদ বিন বশ্বিৰ (ৰাঃ)। হজৰত ইবাদ বিন বশ্বিৰ (ৰাঃ) য়ে বর্ণনা কৰিছে যে আঁহজৰত (ছাঃ) য়ে কৈছে যে হে আনছাৰ সকলৰ দল, তোমালোকে মোৰ দৰে কাপোৰ পিন্ধা কৰা অর্থাৎ সেই কাপোৰ যি সকলো কাপোৰৰ তলত পিন্ধা হয় (অর্থাৎ আজিৰ গেঞ্জী,জাঙ্গীয়া) আৰু শৰীৰৰ লগত লাগি থাকে। ঈয়াৰ পিছত ওপৰত চাদৰ পৰিধান কৰিব পৰা যায়। আঁহজৰত (ছাঃ) য়ে কৈছে যে মোৰ বিশ্বাস আছে যে তোমালোকৰ ফালৰ পৰা মোক কোনো ধৰণৰ কষ্টদায়ক কথা শুনিব নালাগিব। হজৰত ইবাদ বিন বশ্বিৰ ইমামাৰ যুদ্ধত ৪৫ বছৰ বয়সত শ্বহীদ হৈছিল। হজৰত আয়েশা (ৰাঃ) ৰ পৰা বর্ণিত আছে যে নবী (ছাঃ) য়ে মোৰ ঘৰত তাহাজ্জুদ নমাজ পঢ়ি আছিল তেতিয়া তেখেত (ছাঃ) য়ে ইবাদ বিন বশ্বিৰৰ মাত শুনিবলৈ পায়, যিজনে (ইবাদ) মছজিদত নমাজ পঢ়ি আছিল। তেতিয়া তেখেত (ছাঃ) য়ে মোক সুধিছিল, যে আয়েশা এয়া ইবাদৰ মাত নহয় নে ? মই উত্তৰ দিছিলো হয়। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে হে আল্লাহ ইবাদৰ ওপৰত দয়া কৰা। হুদায়বিয়াৰ সন্ধিৰ যাত্রাও ইবাদ অংশ লৈছিল।

আঁহজৰত (ছাঃ) য়ে মুছলমান সকলৰ ডাঙৰ দলৰ আগে আগে থাকিবলৈ হজৰত ইবাদ বিন বশ্বিৰৰ আজ্ঞাবহ বিশ জনীয়া আৰোহীৰ দল এটা নিযুক্ত কৰিছিল। তেখেত (ৰাঃ) বৰ সুদক্ষ আৰু বিশ্বাসী চাহাবী আছিল। হুদায়বিয়াৰ বয়াতে ৰিজুয়ানত তেখেত অংশ গ্ৰহন কৰিছিল। যুদ্ধ জাতুৰিকাৰ সময়ত আঁহজৰত (ছাঃ) য়ে সুধিছিল যে আজি ৰাতি আমাক কোনে পহৰা দি থাকিব ? তেতিয়া হজৰত ইবাদ বিন বশ্বিৰ আৰু হজৰত উম্মাৰ বিন ইয়াছিৰ (ৰাঃ) আগুৱাই আহিছিল আৰু কৈছিল আমি পহৰা দিম। সেয়ে দুয়োজনে পিছত এজনকৈ পহৰাৰত থাকিছিল। ৰাতিৰ এন্ধাৰত নজত কবিলাৰ এজন লোকে হজৰত ইবাদ বিন বশ্বিৰক তীৰ মাৰিছিল। ইবাদ (ৰাঃ) তেতিয়া নমাজ পঢ়ি আছিল। তীৰ আহি তেখেত (ৰাঃ) ৰ শৰীৰত আঘাত হানিছিল কিন্তু তেখেত (ৰাঃ) য়ে নমাজ পঢ়িয়ে আছিল। এনেদৰে সেই লোক জনে তিনিটা তীৰ নিক্ষেপ কৰিছিল আৰু ইবাদ (ৰাঃ) ৰ গাত লাগি ভালে খিনি তেজ ওলাই বৈ গৈছিল। তথাপি তেখেত (ৰাঃ) য়ে নমাজ এৰি দিয়া নাছিল। নমাজ সম্পুৰ্ণ কৰি ইবাদ (ৰাঃ) য়ে হজৰত উম্মাৰ (ৰাঃ) ক জগাই দিয়ে। সাৰ পাই উম্মাৰ (ৰাঃ) য়ে কৈছিল যে তুমি মোক আগতেই কিয় জগাই দিয়া নাই ? হজৰত ইবাদ বিন বশ্বিৰ (ৰাঃ) য়ে কৈছিল মই ছুৰা কাহাফ তিলাওয়াত কৰি আছিলো নমাজ এৰি দিবলৈ মোৰ মন হোৱা নাছিল।

আন এজন চাহাবী আছিল হজৰত ছুৱাদ বিন গাজি (ৰাঃ)। এখেত কবিলা বণু আদি বিন নজাৰৰ সৰ্ম্পকীয় আছিল। বদৰৰ যুদ্ধ, অহুদ, খন্দকৰ যুদ্ধ আৰু ইয়াৰ পিছত হোৱা যুদ্ধবোৰত এখেত নবী (ছাঃ) ৰ লগত যোগ দিছিল। বদৰৰ যুদ্ধত ছুৱাদ (ৰাঃ) য়ে খালিদ বিন হিশামক মখজুমিক বন্ধী কৰিছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ)ক খয়বৰৰ যুদ্ধত খাজাঞ্চী নিযুক্ত কৰিছিল। তেখেত (ৰাঃ) য়ে তাৰ পৰা উত্তম খেজুৰ লৈ আনিছিল। আঁহজৰত (ছাঃ) য়ে তাৰ পৰা এক চা খেজুৰ দুই চা সাধাৰণ খেজুৰ দি কিনি লৈছিল। বদৰৰ যুদ্ধত আঁহজৰত (ছাঃ) য়ে এটা তীৰ চলাই মুছলমান সকলৰ শাৰী পোন কৰি দিছিল। তেখেত (ছাঃ) ৰ সেই তীৰ গৈ হজৰত ছোৱাদ (ৰাঃ) ৰ বুকুত লাগিছিল। হজৰত ছোৱাদ (ৰাঃ) য়ে কৈছিল, ইয়া ৰছুলুল্লাহ আপুনি মোক অন্যায় ভাৱে তীৰ মাৰিছে ওয়াল্লাহত ইয়াৰ প্ৰতিশোধ লৈ লম। আঁহজৰত (ছাঃ) য়ে বৰ কোমলতাৰে কৈছিল যে ঠিক আছে ছোৱাদ, তুমিও মোক তীৰ মাৰি দিয়া। তেখেত (ছাঃ) য়ে নিজৰ বুকুৰ কাপোৰ গুচাই দিছিল ছোৱাদ (ৰাঃ) য়ে চেনেহেৰে আগুৱাই গৈ তেখেত (ছাঃ) ৰ বুকুত চুমা খাইছিল। আঁহজৰত (ছাঃ) য়ে মিচিকিয়াই সুধিছিল -ছোৱাদ এয়াই তোমাৰ কি ভাৱ ? তেখেত (ৰাঃ) য়ে কৰুণ মাতেৰে আবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ শত্ৰু সন্মুখত, কোনে জানে যে ইয়াৰ পৰা বাঁচি যোৱাৰ ভাগ্য হবনে নাই। মই ইচ্ছা কৰিছো যে শ্বহীদ হৈ যোৱাৰ আগত আপোনাৰ দেহ মোবাৰকৰ সৈতে নিজৰ দেহখন স্পৰ্শ কৰি লওঁ আৰু মৰম কৰোঁ। তেতিয়া আঁহজৰত (ছাঃ) য়ে ছোৱাদৰ বাবে কল্যাণৰ দোৱা কৰিছিল।

আল্লাহ তায়লা সেই উজ্বল নক্ষত্ৰ সদৃশ চাহাবা সকলৰ মৰ্যদা উন্নীত কৰক আৰু আমাক ৰছুল প্ৰেমৰ গুঢ়াৰ্থ বুজিবলৈ তৌফিক দান কৰক (আমিন) ।

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 20 July 2018**

To

**(BOOK POST PáRINTED MATTER)**

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844